**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 05-07-2025 **Time :** 1845 Hrs.

## Assamese Evening Bulletin
## Headlines

১। বড়ো শান্তি চুক্তিক স্বাধীন ভাৰতত ৰূপায়িত অন্যতম সফল শান্তি চুক্তি বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। বিধানসভাৰ বিৰোধী পক্ষৰ নেতা দেৱব্ৰত শইকীয়াৰ নেতৃত্বত কংগ্ৰেছৰ পাঁচজনীয়া সজাতি দলৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ।

৩। ২০২৬ বৰ্যত হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অ' এম আৰ উত্তৰবহী ব্যৱহাৰৰ কোনো পৰিকল্পনা নাই বুলি বিদ্যালয় শিক্ষা পৰিষদৰ স্পষ্টীকৰণ।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছৰ বৰ্ধিত প্ৰাদুৰ্ভাৱৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনৰ ব্যৱস্থা গ্ৰহণ।

*আৰু*

৫। এজবেষ্টন টেষ্টত ভাৰত শক্তিশালী স্থিতিত। সামগ্ৰিকভাৱে ৪০৩ ৰানৰ অগ্ৰগতি।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০২০ চনত সম্পাদিত বড়ো শান্তি চুক্তিক স্বাধীন ভাৰতত ৰূপায়িত অন্যতম সফল শান্তি চুক্তি হিচাপে অভিহিত কৰিছে। বাক্সা জিলাৰ আৰৰ্ত ভৱনত আজি জিলাখনত চৰকাৰৰ বিভিন্ন কল্যানকামী আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হোৱাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। ড০ শৰ্মাই কয়, যে বিগত ৫ বছৰত বিটিআৰত শান্তি আৰু সুস্থিৰতা বিৰাজ কৰিছে। চৰকাৰে এতিয়া বিটিআৰক ৰাজ্যৰ সবাতোকৈ উন্নত অঞ্চললৈ ৰূপান্তৰিত কৰাৰ গুৰুত্ব আৰোপ কৰিব বুলি তেওঁ মন্তব্য কৰে।

**বাইট**

মুখ্যমন্ত্ৰীয়ে মুছলপুৰৰ বাক্সা জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত পৰ্যালোচনা বৈঠকত বি টি আৰ প্ৰশাসন, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এই আঁচনিসমূহৰ অধিক সম্প্ৰসাৰণ সন্দৰ্ভত আলোচনা কৰে। বৈঠকত বাক্সা আৰু মানস বিধানসভা সমষ্টিত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ হিতাধিকাৰীৰ সংখ্যা ৫৯ হাজাৰলৈ বৃদ্ধি কৰাৰ উপৰি সমষ্টি দুটাত নতুনকৈ ৪ হাজাৰ লোকক ৰেচন কাৰ্ড প্ৰদানৰ বিষয়ত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰী শৰ্মাই জিলাখনৰ ফাতেমাবাদ আৰু দুমনি চাহ বাগিছাত কৰ্মৰত ৩ হাজাৰ ৭০০ গৰাকী শ্ৰমিকৰ বাবে আঁচনি ৰূপায়ণৰ অৰ্থে আধাৰ কাৰ্ড থকা শ্ৰমিকৰ সংখ্যা, প্ৰপত্ৰ পূৰণ প্ৰক্ৰিয়াকে ধৰি বিভিন্ন দিশৰ অগ্ৰগতিৰ খতিয়ান লয়। জিলাখনত বৰ্তমান এক লাখ ২৯ হাজাৰ ৮৬০ গৰাকী ৰেচন কাৰ্ডৰ সুবিধা লাভ কৰা ব্যক্তি আছে। মানস আৰু বাক্সা সমষ্টিত নতুনকৈ ৪ হাজাৰ লোকক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব। চৰকাৰৰ এই কল্যাণমূলক পদক্ষেপৰ জৰিয়তে জিলাখনৰ ১ লাখ ৮০ হাজাৰ পৰিয়াল উপকৃত হ'ব বুলি আশা কৰা হৈছে। আজিৰ সভাত বাক্সা জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি সেউজ অসম গঢ়াৰ অংশ হিচাপে বাক্সা জিলাৰ আৰৰ্ত ভৱনৰ চৌহদত এটি গছপুলি ৰোপণ কৰে। তেওঁ আৰৰ্ত ভৱনত জিলাখনৰ কেইবাটাও দল-সংগঠনৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ আশ্বাস দিয়ে। ড° শৰ্মাই আজি জালাহ লক্ষ্মী মন্দিৰ প্ৰাঙ্গনত বিজেপিৰ কৰ্মী সন্মিলনত ভাগ লয়।

০০০০০০০

বিধানসভাত বিৰোধী পক্ষৰ নেতা দেৱব্ৰত শইকীয়াৰ নেতৃত্বত আজি কংগ্ৰেছৰ পাঁচজনীয়া এটা সজাতি দলে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰে। শেহতীয়াকৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত চলি থকা উচ্ছেদৰ সন্দৰ্ভত দলটোৱে ৰাজ্যপালক স্মাৰক-পত্ৰ প্ৰদান কৰে। ৰাজ্যপালক সাক্ষাৎ কৰি সাংবাদিকৰে হোৱা কথা-বতৰাত তেওঁ কয় যে সোণাপুৰৰ কচুতলিৰ পৰা ধুবুৰীলৈকে ৰাজ্যৰ বিভিন্ন প্ৰান্তত যিসমূহ উচ্ছেদ কাৰ্য চলি আছে, সেয়া কোনো কাৰণতে সমৰ্থনযোগ্য নহয়। উচ্ছেদৰ ক্ষেত্ৰত

উচ্চতম ন্যায়ালয়ৰ নিৰ্দিষ্ট নীতি-নিৰ্দেশনা আছে বুলি উল্লেখ কৰি দেৱব্ৰত শইকীয়াই কয় যে এই নীতি-নিৰ্দেশনা সম্পূৰ্ণৰূপে অৱমাননা কৰি উচ্ছেদ চলাই থকা হৈছে। এই সমগ্ৰ বিষয়টোত ৰাজ্যপালৰ হস্তক্ষেপ দাবী কৰে সজাতি দলটোৱে। দেৱব্ৰত শইকীয়াই লগতে কয় যে নিৰ্দিষ্ট নীতি-নিয়মৰ মাজেৰে উচ্ছেদ কৰিলে কাৰো একো আপত্তি নাথাকে। উচ্ছেদৰ জাননী প্ৰেৰণ কৰাৰ এটা নিৰ্দিষ্ট সময়সীমাৰ ভিতৰতহে প্ৰশাসনে উচ্ছেদ চলাব পাৰে। কিন্তু বিজেপি চৰকাৰৰ নেতৃত্বত প্ৰশাসনে এনে নীতি-নিয়ম মান নচলাকৈ উচ্ছেদ অভিযান অব্যাহত ৰাখিছে।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৬ বৰ্ষত হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অ' এম আৰ উত্তৰবহী ব্যৱহাৰৰ কোনো তাৎক্ষণিক পৰিকল্পনা নাই বুলি স্পষ্ট কৰি দিছে। উচ্চতৰ মাধ্যমিক পৰীক্ষাত অ' এম আৰ উত্তৰবহী ব্যৱহাৰ সন্দৰ্ভত বিভিন্ন পক্ষৰ পৰা অহা প্ৰশ্নলৈ চাই পৰিষদৰ সচিবে আজি এখন অধিসূচনাযোগে এই কথা স্পষ্ট কৰি দিয়ে। অৱশ্যে পৰিষদে ছাত্ৰ-ছাত্ৰীৰ দক্ষতাভিত্তিক শিক্ষণ আৰু মূল্যায়ন সন্দৰ্ভত প্ৰচেষ্টা অব্যাহত থাকিব বুলি ঘোষণা কৰে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাৰ বাতৰি পোৱা গৈছে। কামৰূপ জিলাত এই ৰোগত আক্ৰান্ত হৈ চাৰিগৰাকী লোকে প্ৰাণ হেৰুৱাইছে আৰু চাৰিজন লোক চিকিৎসাধীন হৈ আছে। কামৰূপ জিলা মেলেৰিয়া বিভাগে এই ৰোগ প্ৰতিৰোধৰ বাবে বিভিন্ন স্থানত সজাগতা শিবিৰৰ আয়োজন কৰিছে। বিভাগে লগতে প্ৰায় ২০ হাজাৰ ঔষধযুক্ত আঁঠুৰা  বিতৰণ কৰিছে আৰু জিলাখনৰ অধীনৰ বকো, ছয়গাঁও, গৰৈমাৰী, ৰঙিয়া, বাইহাটা চাৰিআলিত ফগিং কৰাৰ ব্যৱস্থা কৰিছে।

যোৰহাট জিলাত জাপানীজ এনকেফেলাইটিছত এজন ১৬ বছৰীয়া কিশোৰৰ মৃত্যু হৈছে। বৰ্তমানলৈকে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত এনকেফেলাইটিছত আক্ৰান্ত হৈ দুজন লোকৰ মৃত্যু হোৱা বুলি আমাৰ যোৰহাটৰ সংবাদদাতাই জনাইছে। বৰ্তমান এটি দুবছৰীয়া শিশুসহ কেইবাজনো সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে।

জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ মাজুলীত এটি শিশুৰ মৃত্যু হৈছে। জিলাখনত এইপৰ্যন্ত ছজন লোক এই ৰোগত আক্ৰান্ত হৈছে। ইপিনে মাজুলীৰ ১১ খন গাঁৱত জাপানীজ এনকেফেলাইটিছৰ লগতে ডেংগি আৰু মেলেৰীয়াৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাত জিলা স্বাস্থ্য বিভাগে ১২ হাজাৰৰো অধিক লোকৰ তেজৰ নমুনা সংগ্ৰহ কৰিছে।

শিৱসাগৰ জিলাত যোৱা এপ্ৰিলৰ পৰা বৰ্তমানলৈকে শিশুসহ ১০জন লোক জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈছে। ইয়াৰ ভিতৰত সাতজন ৰোগী আৰোগ্য হোৱাৰ পাছত ঘৰলৈ যাবলৈ দিয়া হৈছে। বাকী তিনিজনৰ ভিতৰত এটি শিশুসহ দুজন লোক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত আৰু এজন শিৱসাগৰ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ সন্ধিয়া গুৱাহাটীৰ ৰুক্মিনীগাঁৱৰ নৱনিৰ্মিত উৰণ সেতুখন উদ্বোধন কৰিব। এই উৰণ সেতুখনে ছয়মাইল, ডাউন টাউন, ৰুক্মিনীগাঁৱৰ যান-জট লাঘৱ কৰিব বুলি আশা কৰা হৈছে। ২০২৪ চনৰ অক্টোবৰত উৰণ সেতুখনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছিল। উৰণ সেতুখনৰ নিৰ্মাণৰ বাবে ১৮ মাহ ধাৰ্য কৰা হৈছিল যদিও ৯ মাহৰ ভিতৰতে ইয়াৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হয়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। তেওঁ কয় যে ৰুক্মিনীগাঁৱৰ ডাউন টাউনৰ আৰু ছুপাৰ মাৰ্কেটৰ উৰণ সেতু দুখন কামৰূপৰ ৰজা ভগদত্ত নামেৰে নামকৰণ কৰা হ'ব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয় -

-বাইট-

০০০০০০০

বৈদেশিক ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আছিয়ান ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে দেশৰ এটা প্ৰতিনিধি দলৰ নেতৃত্ব লৈ আজি নিশা মালয়েছিয়ালৈ ৰাওনা হ'ব। সন্মিলনত তিনিখন ৰুদ্ধদ্বাৰ বৈঠক

অনুষ্ঠিত হ'ব। প্ৰতিনিধি দলটোৱে সন্মিলনৰ আপাহতে বহুকেইখন দেশৰ বিদেশ মন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব। মন্ত্ৰীগৰাকীয়ে বৈঠকৰ পূৰ্বে কাইলৈ পুৱা কম্বোডিয়াত দেশখনৰ শীৰ্ষ নেতৃত্ববৰ্গৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

০০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনে আজি মানকাচৰ, কাকৰিপাৰা এলেকাত অভিযান চলাই বিভিন্ন দোকানত নিয়োজিত ৮টি শিশুক উদ্ধাৰ কৰে। জিলা আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাৰ নিৰ্দেশ মৰ্মে জিলা সহকাৰী আয়ুক্ত নন্দিতা চহৰীয়াৰ নেতৃত্বত আৰক্ষী আৰু সমাজ কল্যাণ বিভাগে শিশু শ্ৰমিককেইটিক উদ্ধাৰ কৰি হাটশিঙিমাৰী শিশুগৃহত গতাই দিয়ে। শিশু শ্ৰমিক কেইটি নিয়োজিত দোকানৰ স্বত্বাধিকাৰীসকলক ২০ হাজাৰ টকাকৈ জৰিমনা বিহা হৈছে। জৰিমনাৰ জৰিয়তে লাভ কৰা ধনখিনি উদ্ধাৰ হোৱা শিশুৰ নামত বেংকত জমা কৰা হ'ব।

০০০০০০০

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈয়ে আজি ডিফু আৰ্বত ভৱনত অঞ্চলটোৰ সাংবাদিকসকলৰ সৈতে মত বিনিময় কৰে। বৰ্তমানৰ চৰকাৰখনৰ সমালোচনা কৰি শ্ৰীগগৈয়ে কংগ্ৰেছৰ শাসনকালত ষষ্ঠ অনুসূচীৰ অধীনত গঠন কৰা কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ শাসন ব্যৱস্থাৰ বিকেন্দ্ৰীকৰণৰ পৰিৱৰ্তে বিজেপি চৰকাৰে সকলোবোৰ ক্ষমতা নিজৰ হাতত ৰাখিছে বুলি অভিযোগ কৰে। দলীয় আন্তঃগাথনি উন্নয়নৰ বুজ লোৱাৰ উদ্দেশ্যে দুদিনীয়া কাৰ্যসূচীৰে কাৰ্বি আংলঙলৈ যোৱা প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে আজি ডিফুত বিভিন্ন সামাজিক সংগঠনৰ প্ৰতিনিধিসকলৰ সৈতেও মত বিনিময় কৰে।

০০০০০০

ধেমাজি জিলাৰ ডিমৌত কালি দুৰ্বৃত্তই এগৰাকী কৰ্তব্যৰত সাংবাদিকক আক্ৰমণ কৰা ঘটনা সন্দৰ্ভত আজি ধেমাজী প্ৰেছ ক্লাবত এখন প্ৰতিবাদী সভা অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন দল সংগঠনৰ প্ৰতিনিধি আৰু সচেতন ৰাইজে অংশগ্ৰহণ কৰা এই প্ৰতিবাদী সভাত মাধুৰ্য্য শইকীয়া নামৰ বৈদ্যুতিন চেনেলৰ সাংবাদিকগৰাকীক আক্ৰমনৰ ঘটনাত জড়িত দুৰ্বৃত্তক শীঘ্ৰে দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ দাবী জনোৱা হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ধেমাজীৰ চিমেন-চিচি টঙানি উন্নয়ন খণ্ডৰ অন্তৰ্গত ডিমৌ পঞ্চায়তৰ সভাপতি নিৰ্বাচন সম্পৰ্কীয় বাতৰি সংগ্ৰহৰ বাবে সাংবাদিকগৰাকী সেই স্থানত উপস্থিত হোৱাৰ সময়ত ২৫-৩০ জনীয়া দুৰ্বৃত্তৰ দলে লাঠি-জোং লৈ তেওঁক আক্ৰমণ কৰে। সাংবাদিকগৰাকী অৱশ্যে এই আক্ৰমণৰ পৰা প্ৰাণ লৈ পলাবলৈ সমৰ্থ হয়। ধেমাজীৰ জ্যেষ্ঠ সাংবাদিক দিলিপ কুমাৰ হাজৰিকাৰ পৌৰহিত্যত অনুষ্ঠিত আজিৰ প্ৰতিবাদী সভাত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, ধেমাজী জিলা ছাত্ৰ সন্থা, টাই আহোম ছাত্ৰ সন্থা, লাচিত সেনাকে ধৰি প্ৰায়বোৰ দল -সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি এই ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে।

০০০০০০০

নিচামুক্ত ভাৰত অভিযানৰ অধীনত চিৰাং জিলা সমাজ কল্যান বিভাগৰ উদ্যোগত আৰু জিলা আৰক্ষীৰ সহযোগত আজি কাজলগাঁৱত নিচাজাতীয় দ্ৰব্য সেৱনৰ বিৰুদ্ধে এটা সজাগতা সমদল উলিওৱা হয়। জিলা আয়ুক্ত যতীন বৰাই মুকলি কৰা এই বাইক সমদলত দুশৰো অধিক লোকে অংশগ্ৰহণ কৰে। জিলা আয়ুক্তগৰাকীয়ে তেওঁৰ ভাষণত মাদক দ্ৰব্যৰ ক্ষতিকাৰক প্ৰভাৱ সন্দৰ্ভত বাৰ্তা প্ৰচাৰ আৰু প্ৰতিৰোধমূলক ব্যৱস্থাৰ সজাগতা বৃদ্ধিৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্ৰত সন্মিলিত প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি শ্ৰীবৰাই এখন সুস্থ আৰু মাদক দ্ৰব্য বিহীন সমাজ গঢ়ি তোলাৰ বাবে প্ৰশাসনৰ দায়বদ্ধতাত আলোকপাত কৰে।

০০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাতশিঙিমাৰী -মানকাচৰ সংযোগী ২২ কিলোমিটাৰ পথ পুনৰ নিৰ্মাণৰ লগতে এই পথটো ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীতকৰণৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাই গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ সহযোগত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে হাতে হাতে বেনাৰ, প্লেকাৰ্ড লৈ বিক্ষোভ প্ৰদৰ্শন কৰে। সদৌ অসম ছাত্ৰ সন্থাই জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি সপত্নীক নৱগ্ৰহ মন্দিৰ দৰ্শন কৰে আৰু ৰাজ্যৰ সকলো শ্ৰেণীৰ লোকৰ কল্যাণৰ হকে প্ৰাৰ্থনা জনায়। ভ্ৰমণ কালত শ্ৰীআচাৰ্যই ভাৰতীয় পৰম্পৰাত নৱগ্ৰহৰ আধ্যাত্মিক আৰু দাশনিক গুৰুত্বৰ বিষয়ে উল্লেখ

কৰে। তেওঁ কয় যে নৱগ্ৰহৰ পূজা অকল আধ্যাত্মিক পৰম্পৰাই নহয়, বৰং জীৱনৰ সন্তুলন, দিক্-দৰ্শন আৰু ৰহস্য বুজাত সহায় কৰা এক প্ৰকাৰৰ দাৰ্শনিক পথ।

০০০০০০০

পশ্চিম কাৰ্বি আংলঙৰ খেৰণি আৰক্ষী থানাৰ সভাকক্ষত আজি জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত আজি এখন সজাগতা সভা অনুষ্ঠিত হয়। জিলা প্ৰশাসনৰ সহকাৰী আয়ুক্ত তথা জিলা শিশু সুৰক্ষা বিষয়াৰ সঞ্চালনাত আয়োজিত এই সভাত বাল্য বিবাহ, শিশু শ্ৰমিক, শিশু সৰবৰাহ আৰু নিচাজাতীয় দ্ৰব্য সেৱন বিষয়ত জনসাধাৰণক সজাগ কৰাৰ প্ৰয়াস কৰা হয়। অনুষ্ঠানত খেৰণি অঞ্চলৰ ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

০০০০০০০

এজবেষ্টন টেষ্টত ভাৰত শক্তিশালী স্থিতিত উপনীত হৈছে। এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ বাবে অনুষ্ঠিত টেষ্ট মেচখনৰ আজি চতুৰ্থ দিনা আলহী দল ভাৰতে কালি এটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৬৪ ৰাণৰ পৰা খেল আৰম্ভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ৩টা উইকেট হেৰুৱাই দ্বিতীয় ইনিংছত ২২৩ ৰাণ সংগ্ৰহ কৰিছে। ভাৰত সামগ্ৰিকভাৱে ইংলেণ্ডতকৈ ৪০৩ ৰানৰ অগ্ৰগতি লাভ কৰিছে।

খেলৰ তৃতীয় দিনা কালি ইংলেণ্ডে ৪০৭ ৰানত প্ৰথম ইনিংছ সামৰে। উল্লেখযোগ্য যে ভাৰতে প্ৰথম ইনিংছত ৫৮৭ ৰাণ সংগ্ৰহ কৰে।

০০০০০০০

**সমাপ্ত**